নং ঃ ৭০৯/২০২০

সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# জননেতা ভীমবৰ দেউৰীক মৰণোত্তৰভাৱে 'বেংমৰা সমন্বয় বঁটা' প্ৰদান

## মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ আদৰ্শৰে এখন আধ্যাত্মিকভাৱে শক্তিশালী সমাজ নিৰ্মাণৰ বাবে আমি আত্মনিয়োগ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ পুলুঙাস্থিত ত্ৰিনয়নজ্যোতি সংঘৰ প্ৰাঙ্গনত আয়োজিত সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ ৮০ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত জননেতা ভীমবৰ দেউৰীলৈ মৰণোত্তৰভাৱে আগবঢ়োৱা 'বেংমৰা সমন্বয় বঁটা' মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জননেতাগৰাকীৰ নাতি মনোজ দেউৰীক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মটক যুৱ ছাত্ৰ সন্মিলনৰ বাৰ্ষিক মুখপত্ৰ 'বেংমৰা' আৰু প্ৰতিষ্ঠা দিৱসৰ স্মৃতিগ্ৰন্থ 'যুগধ্বনি'ও উন্মোচন কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ অনিৰুদ্ধদেৱৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আধ্যাত্মিকভাৱে শক্তিশালী এখন সমাজ নিৰ্মাণৰ বাবে আমি অহোপুৰুষাৰ্থ কৰিব লাগিব। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মটকসকলৰ শক্তিশালী অৰিহণাৰ কথা উল্লেখ কৰি তেওঁ কয় যে সৰ্বানন্দ সিংহই বেংমৰা ৰাজ্য স্থাপনৰ বাবে যি সংগ্ৰাম কৰিছিল উঠি অহা প্ৰজন্মই সেই বিষয়ে উপযুক্ত অধ্যয়ন কৰি তাৰ পৰা দেশপ্ৰেম আৰু কৰ্তব্যনিষ্ঠাৰ শিক্ষা গ্ৰহণ কৰা প্ৰয়োজন। ভক্তিৰ যোগেদিহে শক্তি সম্ভৱ হয় বুলি মন্তব্য কৰি তেওঁ কয় যে আধ্যাত্মিক চেতনাৰে উজ্জীৱিত হৈ সকলো দিশতে শক্তিশালী এখন সমাজ নিৰ্মাণৰ বাবে মহাপুৰুষ অনিৰুদ্ধদেৱে দেখুৱাই যোৱা আদৰ্শৰে আমি বাট বুলিব লাগিব।

সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনে প্ৰতিষ্ঠা কালৰে পৰা জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে কাম কৰি অহাৰ লগতে ৰাজ্যখনত এক শক্তিশালী জাতীয় চেতনা গঢ়ি তোলাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অনাগত দিনসমূহতো সংগঠনটোক জাতীয় জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে শক্তিশালী ভূমিকা গ্ৰহণ কৰি যাবলৈ তেওঁ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বৰ চৰকাৰসমূহে ৰাজ্যখনৰ জাতি-জনগোষ্ঠীসমূহৰ সৰ্বাংগীন উন্নয়নৰ বাবে সঁচা আন্তৰিকতাৰে পদক্ষেপ গ্ৰহণ নকৰাৰ লগতে এই জনগোষ্ঠীসমূহৰ বিশিষ্ট ব্যক্তিসকলক সন্মান প্ৰদৰ্শনৰ কোনো প্ৰয়াস নকৰিলে। কিন্তু বৰ্তমানৰ চৰকাৰখনে ৰাজ্যৰ প্ৰতিটো সৰু-বৰ জাতি-জনগোষ্ঠীৰ বীৰ-বীৰাঙ্গনা আৰু পুৰোধা ব্যক্তিসকলক উপযুক্ত সন্মান যচাৰ বাবে সকলোধৰণৰ

পদক্ষেপ গ্ৰহণ কৰিছে। সৰ্বানন্দ সিংহৰ নামত ৰাজ্যিক বঁটা প্ৰৱৰ্তন, মহাপুৰুষ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ গুৰুজনাৰ নামত ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন আদি পদক্ষেপে চৰকাৰৰ এই আদৰ্শকে প্ৰতিফলিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে কয়। থলুৱাৰ অস্তিত্ব সুৰক্ষিত কৰাৰ বাবে ভূমিহীন খিলঞ্জীয়া পৰিয়ালসমূহলৈ লক্ষাধিক মাটিৰ পট্টা প্ৰদান, ৰাজ্যৰ আধ্যাত্মিক ঐতিহ্য ৰক্ষাৰ বাবে অসম দৰ্শনৰ অধীনত নামঘৰ, মন্দিৰ, দৌল-দেৱালয় আদি ধৰ্মানুষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সাহায্য প্ৰদান আদি পদক্ষেপ গ্ৰহণ কৰা হৈছে। এখন বিদেশীমুক্ত, দুৰ্নীতিমুক্ত, প্ৰদূষণমুক্ত আৰু সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ যি প্ৰতিশ্ৰুতিৰে চৰকাৰখন শাসনলৈ আহিছিল সেই প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে ৰাজ্য চৰকাৰে দিনে-নিশাই কাম কৰি আহিছে। চৰকাৰখনৰ বিগত চাৰে চাৰি বছৰীয়া কাৰ্যকালৰ কাম-কাজ পৰ্যালোচনা কৰিলেই এই কথা প্ৰতীয়মান হয় বুলি মুখ্যমন্ত্ৰীয়ে কয়।

সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ডেভিদ চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে চক্ৰধৰ গগৈ, তেৰচ গোৱালা, ঋতুপৰ্ণ বৰুৱা আৰু বিনোদ হাজৰিকা, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, অসম হাইড্ৰকাৰ্বন আৰু এনাৰ্জী লিমিটেডৰ অধ্যক্ষ পোনাকন বৰুৱা, অসম পেট্ৰ'কেমিকেল লিমিটেডৰ অধ্যক্ষ বিকুল ডেকাকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী সোণোৱালে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ২০ লাখ টকা ব্যয়ৰে পুলুঙাত ত্ৰিনয়নজ্যোতি সংঘ খেলপথাৰ উন্নীতকৰণৰ আধাৰশিলাও স্থাপন কৰে। পুলুঙাবাসী ৰাইজৰ ক্ৰীড়াৰ প্ৰতি থকা আগ্ৰহৰ ভূয়সী প্ৰশংসা কৰি এই খেলপথাৰখনে অঞ্চলটোত পাৰদৰ্শী খেলুৱৈ গঢ়ি তোলাত অৰিহণা যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

**সুঃমিঃকঃ / প্ৰঃকুঃবঃ**
২৮/১০/২০২০